**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ভাৰতে পাকিস্তানৰ শীৰ্ষ কূটনীতিবিদ ছাদ আহমেদ ৱাৰীচক তলব কৰি পাকিস্তান সেনাৰ কূটনীতিবিদসকলক ভাৰত এৰি যাবলৈ নিৰ্দেশ দিছে।

২। চৰকাৰে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পহলগামৰ ঘটনাৰ সৈতে জড়িত প্ৰতিটো সন্ত্ৰাসবাদীক চিনাক্ত কৰি বিচাৰি উলিয়াই কঠোৰ শাস্তি বিহা হ'ব বুলি সকীয়াই দিছে।

৪। প্ৰধানমন্ত্ৰীয়ে আজি বিহাৰত ১৩ হাজাৰ ৪৮০ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৫। ছত্তিশগড় আৰু তেলেংগানাৰ সীমান্ত অঞ্চলত সুৰক্ষা বাহিনী আৰু মাওবাদীৰ মাজৰ সংঘৰ্ষত তিনিজন মাওবাদীৰ মৃত্যু হয়।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰতে পাকিস্তানৰ শীৰ্ষ কূটনীতিবিদ ছাদ আহমেদ ৱাৰীচক তলব কৰি পাকিস্তান সেনাৰ কূটনীতিবিদসকলক ভাৰত এৰি যাবলৈ নিৰ্দেশ দিছে। কূটনীতিবিদগৰাকীক যোৱানিশা চমন জাৰি কৰি এই সন্দৰ্ভত অৱগত কৰোৱা হয় বুলি চৰকাৰী সূত্ৰত প্ৰকাশ। পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰতে পাকিস্তানৰ বিৰুদ্ধে গ্ৰহণ কৰা কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ পাছতে এই পদক্ষেপ লোৱা হয়। কেন্দ্ৰীয় চৰকাৰে ১৯৬০ চনৰ সিন্ধু জল চুক্তি বাতিল আৰু ততালিকে কাৰ্যকৰী হোৱাকৈ আট্টাৰী সংহত চকী বন্ধ কৰাৰ লগতে ইছলমাবাদৰ সৈতে কূটনৈতিক সম্পৰ্ক হ্ৰাস কৰিছে। ভাৰতে লগতে ছাৰ্ক ভিছা ৰেহাই আঁচনিৰ অধীনত পাকিস্তানী নাগৰিকসকলক ভাৰতলৈ অহাৰ অনুমতিও এতিয়াৰে পৰা বাতিল কৰিছে। ছাৰ্ক ভিছাৰ অধীনত সম্প্ৰতি ভাৰতত থকা পাকিস্তানী নাগৰিকসকলক ৪৮ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। কালি বিয়লি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসগৃহত অনুষ্ঠিত মন্ত্ৰীসভাৰ সুৰক্ষা বিষয়ক সমিতিৰ বৈঠকত দেশৰ সামগ্ৰিক সুৰক্ষা পৰিস্থিতিৰ পৰ্যালোচনা কৰা হয় আৰু সকলো সুৰক্ষা বাহিনীক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়।

ভাৰতে এই আক্ৰমণৰ পৰিপ্ৰেক্ষিতত নতুন দিল্লীৰ পাকিস্তানী উচ্চায়োগত থকা প্ৰতিৰক্ষা, সামৰিক, নৌ সেনা আৰু বায়ু সেনাৰ উপদেষ্টাসকলক এসপ্তাহৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ নিৰ্দেশ দিছে। তদুপৰি ইছলামাবাদৰ ভাৰতীয় উচ্চায়োগৰ পৰা ভাৰতে প্ৰতিৰক্ষা, নৌ আৰু বায়ু সেনা উপদেষ্টাসকলক ঘূৰাই আনিব বুলি বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে প্ৰকাশ কৰিছে। দুয়োখন দেশৰ উচ্চায়োগৰ এই পদসমূহ অপ্ৰাসঙ্গিক হিচাপে গণ্য কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০০

পহলগামত সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত ভাৰতে গ্ৰহণ কৰা কঠোৰ ব্যৱস্থাৱলীয়ে পাকিস্তানৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব বুলি দেশখনত পূৰ্বে কাৰ্যনিৰ্বাহ কৰি অহা ভাৰতীয় ৰাষ্ট্ৰদূত প্ৰভূ দয়ালে মত প্ৰকাশ কৰিছে। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত কূটনীতিবিদগৰাকীয়ে কয়, যে বিশেষকৈ জল চুক্তি বাতিল কৰাৰ বাবে ভাৰতে গ্ৰহণ কৰা সিদ্ধান্তই পাকিস্তানৰ জনসাধাৰণক ক্ষতিগ্ৰস্ত কৰিব। সিন্ধু নৈ আৰু ইয়াৰ উপনৈসমূহৰ ওপৰত প্ৰত্যক্ষভাৱে নিৰ্ভৰশীল দেশখনৰ কৃষি খণ্ডত এই সিদ্ধান্তই গুৰুতৰ প্ৰভাৱ পেলাব বুলি তেওঁ মত প্ৰকাশ কৰে। শ্ৰী দয়ালে লগতে কয়, যে আট্টাৰী

আৰু ৰাঘা সীমান্ত বন্ধ কৰাকে ধৰি পাকিস্তানী নাগৰিকৰ ভাৰতত প্ৰৱেশৰ অনুমতি বাতিল কৰাৰ দৰে সিদ্ধান্তই সামগ্ৰিকভাৱে পাকিস্তানৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাব।

০০০০০০০০০

চৰকাৰে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। সূত্ৰৰ পৰা জানিব পৰা মতে সন্ধিয়া ৬ বজাত সংসদ ভৱন চৌহদত এই বৈঠক অনুষ্ঠিত হ'ব। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৰাজনৈতিক দলসমূহৰ নেতাসকলক এই আক্ৰমণৰ বিষয়ে প্ৰকাশ কৰিব। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে পাকিস্তানৰ বিৰুদ্ধে গ্ৰহণ কৰা পদক্ষেপসমূহৰ শেহতীয়া তথ্যও অৱগত কৰিব।

০০০০০০০০০

পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি বিজেপিৰ নেতা-কৰ্মীসকলে দিল্লীৰ পাকিস্তান উচ্চায়ুক্তৰ কাৰ্যালয়ৰ বাহিৰত  প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ বিধায়ক সতীশ উপাধ্যায়ে কয়, যে এই ঘটনাক লৈ দেশৰ জনসাধাৰণৰ মনত ক্ষোভ জমা হৈছে। চৰকাৰ তথা দেশৰ সেনাই পাকিস্তানক ইয়াৰ উচিত প্ৰত্যুত্তৰ দিব বুলি বিধায়কগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ পহলগামত পৰহি সংঘটিত সন্ত্ৰাসবাদীৰ নিৰ্মম আক্ৰমণৰ ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দি ইয়াক ভাৰতৰ আত্মাক আঘাত হনাৰ দুঃসাহস বুলি অভিহিত কৰিছে। ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস উপলক্ষে বিহাৰৰ মধুবাণী জিলাত আয়োজিত এখন জনসভাত ভাষণ দি তেওঁ কয়, যে সন্ত্ৰাসবাদীবোৰে যতেই আত্মগোপন নকৰক কিয়, ভাৰতে তাৰপৰাই সিহঁতক বিচাৰি উলিয়াব। পহলগামৰ ঘটনাক নিন্দা কৰাৰ লগতে এই ঘটনাৰ সৈতে জড়িত প্ৰতিটো সন্ত্ৰাসবাদীক চিনাক্ত কৰি বিচাৰি উলিয়াই কঠোৰ শাস্তি বিহা হ'ব বুলি তেওঁ সকীয়াই দিয়ে। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে এনে ঘটনা সংঘটিত কৰা লোকসকল কল্পনা কৰিব নোৱাৰা ধৰণৰ প্ৰতিফলৰ সন্মুখীন হ'ব লাগিব। পহলগামৰ ঘটনাই সমগ্ৰ দেশকে ব্যথিত কৰি তুলিছে বুলি উল্লেখ কৰাৰ লগতে এই ঘটনাৰ বলি হোৱা প্ৰতিটো পৰিয়ালৰ প্ৰতি তেওঁ সহমৰ্মিতা প্ৰকাশ কৰে। সভাত ভাষণ দিয়াৰ পূৰ্বে সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহতসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি তেওঁ কিছু সময় মৌনতা অৱলম্বন কৰে।

আজিৰ বিহাৰ ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে ১৩ হাজাৰ ৪৮০ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। শ্ৰী মোদীয়ে ৮৭০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও ৰে'ল প্ৰকল্প আনুষ্ঠানিকভাৱে মুকলি কৰাৰ লগতে ৪ খন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। আজিৰ সভাতে তেওঁ জয়ানগৰ আৰু পাটনাৰ মাজত চলাচল কৰিবলগীয়া নমো ভাৰত ৰে'লগাড়ীৰ লগতে সহৰ্ষৰ পৰা মুম্বাইৰ লোকমান্য তিলক টাৰ্মিনাছলৈ চলাচল কৰিবলগীয়া অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ সেৱাও ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰ জৰিয়তে আনুষ্ঠানিকভাৱে মুকলি কৰে।

০০০০০০০০০

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে আজি পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত মৃত্যু হোৱা শুভম দ্বিবেদীৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। আজি কাণপুৰত যুৱকজনৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। যুৱকজনৰ মৃতদেহ যোৱানিশা লক্ষ্ণৌলৈ অনা হয়। উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠকে বিমান বন্দৰতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে মৃতকৰ পৰিয়ালক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে আৰু উত্তৰ প্ৰদেশ চৰকাৰৰ তৰফৰ পৰা প্ৰয়োজনীয় সকলো সাহায্য প্ৰদানৰ আশ্বাস দিয়ে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি গ্ৰহণ কৰি আহিছে আৰু এই বৰ্বৰ আক্ৰমণৰ সৈতে জড়িত সকলোকে কঠোৰতম শাস্তি প্ৰদান কৰা হ'ব।

এই সন্ত্ৰাসবাদী আক্ৰমণত নিহত অৰুণাচল প্ৰদেশৰ এগৰাকী যুৱক, বায়ুসেনাৰ জোৱান টাগে হালিয়াঙৰ নশ্বৰ দেহ কালি নিজ ৰাজ্যলৈ লৈ যোৱা হয়। গুৱাহাটীৰ বায়ুসেনা ঘাটিত অসম চৰকাৰৰ হৈ জ্যেষ্ঠ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই জোৱানজৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০০০০০

ছত্তিশগড় আৰু তেলেংগানাৰ সীমান্ত অঞ্চলত সুৰক্ষা বাহিনী আৰু মাওবাদীৰ মাজৰ সংঘৰ্ষত তিনিজন মাওবাদীৰ মৃত্যু হয়। ছত্তিশগড়ৰ বিজাপুৰ জিলাৰ কাৰেগোট্টাৰ পাহাৰীয়া অঞ্চলত মাওবাদী সংগঠনৰ কেইবাগৰাকী নেতাৰ উপস্থিতি সন্দৰ্ভত তথ্য লাভ কৰাৰ পাছতে ছত্তিশগড়, তেলেংগানা, মহাৰাষ্ট্ৰৰ সুৰক্ষা বাহনীয়ে যুটীয়াভাৱে যোৱা দুদিন ধৰি অঞ্চলটোত নক্সালবিৰোধী অভিযান চলায়। আৰক্ষী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ শীৰ্ষ বিষয়াসকলৰ তত্বাৱধানত চলা এই অভিযান মাওবাদীৰ বিৰুদ্ধে যুটীয়াভাৱে চলোৱা সৰ্ববৃহৎ অভিযানসমূহৰ অন্যতম বুলি আকাশবাণীৰ ছত্তিশগড়ৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ উধমপুৰ জিলাত আজি সেনাৰ অভিযানৰ সময়ত সুৰক্ষা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত হোৱা গুলীয়াগুলীত এজন সেনা জোৱান নিহত হয়। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি সুৰক্ষা বাহিনীয়ে ডুডু-বসন্তগড় অঞ্চলত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ তথ্যৰ ভিত্তিত অভিযান চলোৱাৰ সময়তে এই মুখামুখি সংঘৰ্ষ হয়। আমালৈ অহা শেহতীয়া তথ্য অনুসৰি অঞ্চলটোত এতিয়াও সুৰক্ষা বাহিনীয়ে অভিযান চলাই আছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেটত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ১৫ অভাৰ আৰু চাৰিটা বলত তিনিটা উইকেট হেৰুৱাই ১৪৪ ৰাণৰ বিজয় লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৪৩ ৰাণ কৰে।

০০০০

**সমাপ্ত**